**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

সমগ্ৰ দেশে আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব। গণৰাজ্য দিৱসৰ পেৰেড চাৰে ১০ বজাত আৰম্ভ হ'ব আৰু ৯০ মিনিট ধৰি চলিব। গণৰাজ্য দিৱসৰ পেৰেডত দেশৰ বৰ্ণাঢ্য সংস্কৃতি আৰু সামৰিক শক্তিৰ অনবদ্য প্ৰদৰ্শন দেখিবলৈ পোৱা যাব। এই বছৰৰ গণৰাজ্য দিৱসৰ বিষয়বস্তু হৈছে- **স্বতন্ত্ৰতাৰ মন্ত্ৰ ঃ বন্দে মাতৰম আৰু সমৃদ্ধিৰ মন্ত্ৰ ঃ আত্মনিৰ্ভৰ ভাৰত**। পেৰেডৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত ছহীদসকললৈ শ্ৰদ্ধা নিবেদন কৰিব। ইয়াৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৰ্তব্য পথত সশস্ত্ৰ বাহিনী, অৰ্ধসামৰিক বাহিনী, সহায়ক অসামৰিক বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কেডেটসকলৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰিব। এইবাৰৰ গণৰাজ্য দিৱসৰ কাৰ্য্যসূচীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভনডেৰ লেয়েন আৰু ইউৰোপীয় পৰিষদৰ সভাপতি এণ্টনিঅ' কোস্তা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। পেৰেডত বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, বিভিন্ন মন্ত্ৰ্যালয় তথা বিভাগসমূহৰ ৩০ টা প্ৰতীকপট প্ৰদৰ্শন কৰা হ'ব। এই প্ৰতীকপটসমূহত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ পূৰ্তি আৰু বিভিন্ন খণ্ডত আত্মনিৰ্ভৰশীলতাৰে দেশৰ দ্ৰুত প্ৰগতিৰ দিশসমূহ প্ৰতিফলিত হ'ব। এইবাৰৰ পেৰেডত ধুবুৰীৰ আশাৰিকান্দিৰ বিখ্যাত পোৱামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হ'ব। ভৌগোলিক সূচ্যাংকৰ স্বীকৃতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

ৰাজ্যৰ প্ৰতিখন জিলাতে বিভিন্ন কাৰ্যসূচীৰে গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত পতাকা উৰুৱাব। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলৰ লগতে ৰাজ্যৰ ২৪টা দলে কুচকাৱাজ প্ৰদৰ্শন কৰিব। ডিব্ৰুগড় জিলাৰ খনিকৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই পতাকা উৰুৱাব।

০০০০০০

অসমৰ ৫ গৰাকী বিশিষ্ট ব্যক্তিকে ধৰি দেশৰ মুঠ ১৩১ গৰাকী ব্যক্তিলৈ চলিত বছৰৰ পদ্ম সন্মান কালি ঘোষণা কৰা হৈছে। দেশৰ ৫ গৰাকী কৃতিমান ব্যক্তিলৈ পদ্ম বিভূষণ, ১৩ গৰাকীলৈ পদ্ম ভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। সদ্য প্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থলৈ মৰণোত্তৰভাৱে পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। কলা শিতানত বিশিষ্ট সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়া, যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ আৰু কাৰ্বি লোক-সংগীতৰ বিশিষ্ট শিল্পী পখিলা লেকথেপীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে কৃষি ক্ষেত্ৰত এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

লখিমপুৰ জিলাৰ বিহপুৰীয়াৰ সত্ৰীয়া সংস্কৃতিৰ সাধক ৯৬ বছৰীয়া হৰিচৰণ শইকীয়াই পদ্মশ্ৰী সন্মান লাভ কৰাত তেওঁৰ লগতে অঞ্চলবাসী উৎফুল্লিত হৈছে। তেওঁ ২০১১ বৰ্ষত সংগীত নাটক একাডেমি সন্মান লাভ কৰি

ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। উল্লেখ্য যে ১৯৪৮ চনতে তেখেতে আকাশবাণীত বৰগীত পৰিবেশন কৰিছিল। পদ্মশ্ৰী সন্মান লাভ কৰাৰ পাছতে সাংবাদিকৰ আগত তেওঁ এনেদৰে কয় –

-বাইট- (হৰিচৰণ)

oooooo

ভাৰত চৰকাৰৰ যুৱ কল্যাণ আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত শ্ৰীভূমি জিলাৰ **মেৰা যুৱা ভাৰত**ৰ উদ্যোগত দুল্লভছড়া স্পৰ্টছ্ সমিতিৰ সহযোগত দুদিনীয়াকৈ শ্ৰীভূমি জিলাভিত্তিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। ২৪ আৰু ২৫ জানুৱাৰীত দুল্লভছড়া খেলপথাৰত অনুষ্ঠিত এই ক্ৰীড়া প্ৰতিযোগিতাত জিলাখনৰ প্ৰায় ২৫০গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

oooooo

ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি গুৱাহাটীত ৮২ কোটি ৫ লাখ টকা ব্যয়সাপেক্ষে উত্তৰ পূৰ্বাঞ্চলৰ দুটা বাঁহ প্ৰকল্প মুকলি কৰে। এই প্ৰকল্প দুটা মুকলি কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১২ বছৰত উত্তৰ পূৰ্বাঞ্চলত উন্নয়নৰ জোৱাৰ উঠিছে। অসমৰ কাৰ্বি আংলং জিলা আৰু নাগালেণ্ডৰ মুককচাঙত নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্প দুটাত ৪ হাজাৰ ৪০০ যুৱক-যুৱতীক প্ৰশিক্ষণ দি বাঁহেৰে নিৰ্মিত সামগ্ৰীৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কালিৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ উপস্থিতিত উত্তৰ-পূব বেত আৰু বাঁহ উন্নয়ন পৰিষদে বজাৰৰ সুলভতা তথা বাণিজ্য সহযোগিতাৰ বাবে এমাজন, ফ্লিপকাৰ্ড আৰু অল টাইম প্লাষ্টিকছ্‌ৰ সৈতে তিনিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

oooooo

**সমাপ্ত**